উক্তি

...অসম চৰকাৰে ...ংসনীয়। অসম ...ত দেশৰ আন ...ণ কৰা উচিত।

...কাৰ সুৰক্ষা আয়োগৰ ...ক্ষ প্ৰিয়াং কাননগো।


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১৬

...ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ৮৯ শনিবাৰ ২৭ মাঘ ১৯৪৪ শক ১১ ফেব্ৰুৱাৰী ২০২৩ চন ASOMIYA KHABAR JORHAT SATURDAY 11 FEBRUARY 2023


নলবাৰী মে... পৰিদৰ্শন স্বাস্থ্য...



### ডিব্ৰুগড়ত মত-বিনিময় অনুষ্ঠানত বিশিষ্ট সাংবাদিক, 'দৈনিক ভাস্কৰ'ৰ সম্পাদক প্ৰকাশ ডুবে

## সত্য থকালৈকে সাংবাদিকতাৰ মান কেতিয়াও তললৈ নাযায়

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ ফেব্ৰুৱাৰী ঃ 'সংবাদ সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে। সত্য থকালৈকে সাংবাদিকতাৰ মান কেতিয়াও তললৈ যাব নোৱাৰে। সত্যই হৈছে সাংবাদিকতাৰ মূল ধৰ্ম।' আজি এইদৰে কয়, প্ৰসিদ্ধ সাংবাদিক, দেশৰ আগশাৰীৰ সংবাদপত্ৰ 'দৈনিক ভাস্কৰ'ৰ সম্পাদক তথা প্ৰেছ কাউন্সিলৰ সদস্য, দেশৰ প্ৰসিদ্ধ সাংবাদিক প্ৰকাশ ডুবে। ডিব্ৰুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত কানৈ মহাবিদ্যালয়ৰ আই চি জি চিৰ সহযোগত আয়োজিত মত-বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰি সংবাদপত্ৰ আৰু বৈদ্যুতিন মাধ্যমৰ বহু গুৰুত্বপূৰ্ণ দিশ দাঙি ধৰি তেওঁ কয় যে, দূৰদৰ্শন আৱিষ্কাৰ হোৱাৰ পাছত বহুতেই শংকা প্ৰকাশ কৰিছিল ছপা মাধ্যমলৈ বিপদ আহিব, কিন্তু ইয়াৰ পাছত এটাৰ পাছত এটা নতুন টেলিভিচনৰ প্ৰৱেশ ঘটিল। শেহতীয়াকৈ ব্যক্তিগত খণ্ডৰ টেলিভিচনৰ উত্থানৰ লগতে ছ'চিয়েল মিডিয়ায়েও ব্যাপকতা লাভ কৰিছে। অৱশ্যে এতিয়াও ছপা মাধ্যমে নিজৰ গতিত চলি আছে। সকলোৰে নিজা নিজা বৈশিষ্ট্য আছে। গতিকে তেওঁলোকে স্বকীয় পথত আগবাঢ়িছে। এই প্ৰসংগ উল্লেখ কৰি বিশিষ্ট সাংবাদিকজনে কয় যে, পক্ষপাতমূলক কাৰ্যই বহু সময়ত মৰ্যাদা হানি কৰিছে সংবাদ মাধ্যমক। কেৱল ছপা মাধ্যম বুলিয়েই নহয়, বৈদ্যুতিন মাধ্যমৰ ক্ষেত্ৰত এনে ধৰণৰ বহু ঘটনা দেখিবলৈ পোৱা গৈছে। সম্প্ৰতি

